# আৰ্থিক সংস্থাবোৰৰ আমানত সংগ্ৰহ সংক্ৰান্ত কাৰ্য্যকলাপ

ক) সংজ্ঞাঃ

1) ন'ন বেংকিং ফাইনেন্সিয়ল কোম্পানী কি ?

ন'ন বেংকিং ফাইনেন্সিয়েল কোম্পানী হ'ল এনে এক কোম্পানী যি (ক) কোম্পানী এক্ট, 1956 ৰ অধীনত পঞ্জীকৃত (খ) বিভিন্ন প্ৰকাৰৰ শ্বেয়াৰ ûষ্টক ûবোণ্ডûঋণûচিকিউৰিটী, লিজ, হায়াৰ পাৰ্চ্ছেচ, বীমা ব্যৱসায়, চিট ফাণ্ড ত বিনিয়োগ কৰা হ'ল এই ব্যৱসায়ৰ নীতি আৰু ইয়াৰ মূল ব্যৱসায় হ'ল কিছু অংশ ধন বা বিনিয়োগত যিকোনো আঁচনি বা চুক্তিৰ অধীনত ধন জমা লোৱা। অৱশ্যে, কোনো ন'ন বেংকিং ফাইনেন্সিয়েল কোম্পানী কৃষি কৰ্ম, উদ্যোগ কৰ্ম, ব্যৱসায়িক কাৰ্য বা বেচা ûকিনাûনিৰ্মাণত জৰিত কোনো প্ৰতিষ্ঠান সন্নিবিষ্ট নহয় (আৰবিআই এক্ট, 1934ৰ ধাৰা 45আই (চি)) ধাৰা 45আই (চি)ত উল্লিখিত ধৰণে ঋণûঅগ্ৰিম ধন দিয়া বিত্তীয় কাৰ্যৰ ওপৰত লক্ষ্য কৰি এই সুবিধা সমূহৰ নথকা, সকলো কোম্পানীয়েই এনবিএফচি।

2) কোনবোৰ এনবিএফচি সমূহ চিষ্টেমেটিকেলী গুৰুত্বপূৰ্ণ ?

শেহতীয়া অডিট বেলেঞ্চ শ্বিট অনুসৰি এনবিএফচি সমূহৰ সম্পত্তি 100 কোটি বা তাতোধিক, তেনে এনবিএফচি সমূহক চিষ্টেমেটিকেলী গুৰুত্বপূৰ্ণ বুলি ধৰাৰ হয়।

এই এনবিএফচিসমূহে আমাৰ দেশৰ বিত্তীয় ব্যৱস্থাটো সুস্থিৰ কৰি ৰখাত অৱদান আগবঢ়ায়।

(খ) আৰবিআই দ্বাৰা নিৰ্ধাৰিত অধিনিয়মঃ

3) ৰিজাৰ্ভ বেংকে সকলো বিত্তীয় কোম্পানীক নিয়ন্ত্ৰণ কৰাৰ বাবে নিয়ামক আছে আৰু সেইবোৰ নিৰীক্ষণ কৰে, যেনে— বীমা কোম্পানীৰ বাবে আইআৰভিএ, মাৰ্চেন্ট বেংকিং কোম্পানীসমূহচষ্টক ব্ৰকিং কোম্পানীসমূহ আৰু মিউছুএল ফাণ্ডৰ বাবে চিকিউৰিটী একচেঞ্জ বোৰ্ড অৱ ইণ্ডিয়া (এছইবিআই), গৃহঋণ দাতা কোম্পানীসমূহৰ বাবে নেচনেল হাউচিং বেংক (এনএইছবি) নিধি কোম্পানীসমূহৰ বাবে কোম্পানীসমূৰ বাবে কোম্পানীসমূহ পৰিক্ৰমা বিভাগ (ডি চি এ) তথা চিট ফাণ্ড কোম্পানীসমূহৰ বাবে ৰাজ্য চৰকাৰসমূহ।

যিবোৰ কোম্পানীয়ে বিত্তীয় ব্যৱসায়ৰ বাবে, কিন্তু অন্য নিয়ামকৰ ৰিজাৰ্ভ বেংকে ইয়াৰ আৱশ্যক নিয়ন্ত্ৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰে, যেনে— পঞ্জীয়ন, তাৰল্য সম্পত্তিৰ চোৱাচিতা, প্ৰয়োজনীয় জমা থোৱা ইত্যাদি।

নিম্নলিখিত তালিকাত কাৰ্যৰ প্ৰকৃতিসমূহ উল্লেখ কৰা হ'ল।

4) আৰবিআই দ্বাৰা কেনেধৰণৰ বিশেষ বিত্তীয় কোম্পানীসমূহক নিয়নন্ত্ৰণ কৰা হয় ?

ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই তেনে ন'ন বেংকিং ফাইনেন্সিয়েল কোম্পানীসমূহক নিয়ন্ত্ৰণ তথা নিৰীক্ষণৰ বাবে, যিবোৰ (i) ঋণ দিয়া (ii) শ্বেয়াৰ, ষ্টক, বেণ্ড ইত্যাদিৰ acquisition বা বিত্তীয় লিজ বা হায়াৰ পাৰ্চেছৰ ব্যৱসায় কৰে। আনহাতে যিবোৰ কোম্পানীক মূখ্য ব্যৱসায় ধন জমা ৰখা, সেই কোম্পানীসমূহক আৰবিআইয়ে নিয়ন্ত্ৰণ কৰে। (আৰবিআই এক্ট, 1934 ৰ অনুচ্ছেদ 451 (চি))

5) 50-50 বাণিজ্যনীতি চৰ্ত পূৰণ নকৰা কোম্পানী সমূহ, যি ন'ন বেংকিং ফাইনেন্সিয়েল কোম্পানীৰ বিৰুদ্ধে

ৰিজাৰ্ভ বেংকে গ্ৰহণ কৰিব পৰা ক্ষমতাসমূহ কি কি ?

ৰিজাৰ্ভ বেংকক আৰবিআই এক্ট 1934ৰ অধীনত দিয়া ক্ষমতা অনুসৰি বাণিজ্য নীতিৰ 50-50 চৰ্তপূৰ্ণ কৰা ক্ষেত্ৰত এনবিএফচি সমূহৰ ওপৰত নীতি নিৰ্ধাৰণ নিৰ্দেশ জাৰি, পৰ্যবেক্ষণ, নিয়ন্ত্ৰণ, নিৰীক্ষণ তথা তদাৰক কৰিব পাৰে।

ৰিজাৰ্ভ বেংকে আৰবিআই এক্ট ভংগকাৰী এবিএফচি সমূহক জৰিমানা বিহী বা আৰু বিআই এক্টৰ অধীনত আৰবিআইয়ে নিৰ্দেশনা বা আদেশ জাৰি কৰিব পাৰে।

আনহাতে আৰবিআইয়ে এনে এনবিএফচিক পঞ্জীয়ন প্ৰমাণ-পত্ৰ খাৰিজ কৰিব পাৰে বা ধন জমা কৰাৰ পৰা বিৰত ৰাখিব পাৰে আৰু সম্পত্তি বাজেয়াপ্ত কৰিব পাৰে বা বন্ধ কৰিবৰ বাবে আবেদন কৰিব পাৰে।

(গ) আৰবিআই দ্বাৰা এনঅ'টি নিয়ন্ত্ৰণৰ অন্তৰ্ভূক্ত নোহোৱা ঃ

6] বীমা কোম্পানীসমূহ, ষ্টক ব্ৰোকিং আৰু মাৰ্চেণ্ট বেংকিং কোম্পানীসমূহ, নিধিসমূহ, হাউচিং ফাইনেন্স কোম্পানীসমূহ তথা চিট ফাণ্ড কোম্পানীসমূহ কিয় ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ দ্বাৰা নিয়ন্ত্ৰিন হয় ?

এইবোৰৰৰ অন্য বিত্তীয় খণ্ডৰ নিয়ামকসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত, এতেকে দ্বি-পঞ্জীয়নৰ পৰা আতৰি থকা বাবে এই কোম্পানীসমূহ আৰবিআইৰ পঞ্জীয়ন আৰু অন্য নিয়মৰ বাহিৰত থাকে।

7] পৰিষদৰ বাহিৰৰ এনবিএফচিসমূহৰ বাবে ৰিজাৰ্ভ বেংকৰ কোনো ক্ষমতা থাকে নেকি ই ৰেহাই অনুমতিৰ ওপৰত নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে হাউচিং ফাইনেন্স কোম্পানীসমূহ আৰবিআইৰ পৰিসৰৰ বাহিৰত। অন্য সমূহত যেনে চিট ফাণ্ডসমূহ, নিধি কোম্পানীসমূহ, মিউচ্যুৱেল বেনিফিট কোম্পানী, ষ্টক ব্ৰোকিং কোম্পানীসমূহ ইত্যাদি পঞ্জীয়নৰ প্ৰয়োজনীয়তা, তাৰল্য সম্পদৰ চোৱাচিতা আৰু আইনী সংৰক্ষণৰ পৰা ৰেহাই স্বীকৃত হয়।

অন্য বিত্তীয় নিয়ামকসমূহ যেনে নেচনেল হাউচিং বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত হাউচিং ফাইনেন্স কোম্পানীসমূহ আৰু আইডিএৰ দ্বাৰা বীমা কোম্পানীসমূহ, চেবি (এছইবিএ) দ্বাৰা নিয়ন্ত্ৰিত ষ্টক ব্ৰোকিং মাৰ্চেণ্ট বেংকিং কোম্পানীসমূহ, ভেঞ্চাৰ কেপিটেল কোম্পানীসমূহ আৰু সংগ্ৰহিত বিনিয়োগ আঁচনিত চলা কোম্পানীসমূহ আৰু মিউচ্যুৱেল ফাণ্ডসমূহ নিগম সঞ্চাৰ পৰিক্ৰম মন্ত্ৰালয় দ্বাৰ নিয়ন্ত্ৰিত নিধি কোম্পানীসমূহ আৰু সম্বন্ধিত ৰাজ্য চৰকাৰসমূহৰ নিয়ামক গোটৰ অধীনত চলা চিট ফাণ্ড সমূহৰ তৰফৰ পৰা জাৰি কৰা নিৰ্দেশনা সমূহৰ লগত পৰস্পৰে সংঘৰ্ষ (........) নহবৰ বাবে আৰবিআইয়ে এনে কোম্পানীসমূহৰ বাবে নিৰ্দেশনা জাৰি নকৰে।

8] কোনো কোম্পানী যি ব্যৱসায়ৰ অংশৰূপে বিত্তীয় কাৰ্য সম্পন্ন কৰে, তেনে কোম্পানীসমূহক আৰবিআইয়ে নিয়ন্ত্ৰণ কৰেনে ?

ৰিজাৰ্ভ বেংকে তেনে কোম্পানীসমূহক নিয়ন্ত্ৰণ কৰে যি মূল ব্যৱসায় ৰূপে বিত্তীয় কাৰ্যত জড়িত হৈ থাকে। কিন্তু যদি কোম্পানী মূল বাৰদায় কৃষি কৰ্ম, ঔদ্যোগিক কাৰ্য, বস্তুৰ কিনা আৰু বেচা, স্থাৱৰ সম্পত্তিৰ সেৱা বা কিনা বিক্ৰী বা নিৰ্মাণ কৰাত আৰু সৰুকৈ বিত্তীয় ব্যৱসায় কৰে, তেনে কোম্পানীসমূহ ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়।

9] যিবোৰ কোম্পানীয়ে 50-50 চৰ্ত পূৰ্ণ নকৰে কিন্তু ধন জমা ৰাখে এনে কোম্পানীসমূহ আৰবিআইৰ অন্তৰ্গত হয়নে ?

কোনো কোম্পানীৰ নিজৰ মূঠ সম্পদৰ 50 শতাংশতকৈ অধিক বিত্তীয় সম্পদ নাই তথা তেনে ধৰণৰ সম্পদৰ পৰা কমেও 50 শতাংশ মূঠ আয়ত অৰিহনা নাথাকে, সেইবোৰ এনবিএফচি নহয়।

ইয়াৰ প্ৰধান ব্যৱসায় অনা বিত্তীয় কাৰ্য হয় যেনে কৃষি কৰ্ম, ঔদ্যোগিক কাৰ্য, স্থাৱৰ সম্পত্তিৰ ক্ৰয় û নিৰ্মাণ, বস্তুৰ কিনা বা বেচা, তেনেবোৰ ন'ন বেংকিং ন'ন ফাইনেন্সিয়েল কোম্পানী।

কোনো ন'ন বেংকিং ন'ন ফাইনেন্সিয়েল কোম্পানীয়ে ধন জমা ৰখাটো ডিপ'জিট বনাচ, 1975 ৰ কোম্পানী সমূহৰ প্ৰাপ্তিৰ দ্বাৰা পৰিচালিত হয়। এই কোম্পানীসমূহৰ পঞ্জীয়ন ৰাজ্য চৰকাৰৰ প্ৰশাসনত অন্তৰ্ভূক্ত হয়।

(ঘ) প্ৰধান ব্যৱসায়িক চৰ্ত (পিবিচি)

10] প্ৰধান ব্যৱসায়িক চৰ্তই কেনে ধৰণৰ বিত্তীয় কাৰ্যকলাপ সম্পন্ন কৰা বুজায় ?

কোনো কোম্পানীৰ বিত্তীয় সম্পদ মূঠ সম্পদৰ 50 শতাংশতকৈ অধিক হয় তথা বিত্তীয় সম্পদৰ পৰা আয় মূঠ আয়ৰ 50 শতাংশতকৈ অধিক হয়, তেনে কোম্পানীৰ প্ৰধান ব্যৱসায় বিত্তীয় কাৰ্যকলাপ হয়। যি কোম্পানী এই দুয়োটা চৰ্ত পূৰ্ণ কৰিবলৈ সক্ষম হয়, তেনে কোম্পানীক আৰবিআইয়ে এনবিএফচি ৰূপে পঞ্জীয়ন কৰে। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া এক্টৰ দ্বাৰা 'প্ৰধান ব্যৱসায়'ক সংজ্ঞাবদ্ধ কৰা হোৱা নাই।

(ঙ) আৱাসিক ন'ন বেংকিং কোম্পানীসমূহ (আৰএনবিচি সমূহ)

11] আৱাসিক ন'ন বেংকিং কোম্পানী (আৰএনবিচি কি ? অন্য এনবিএফচি সমূহৰ পৰা ই কেনে দৰে পৃথক ?

আৱাসিক ন'ন বেংকিং কোম্পানী এনবিএফচিৰ এক শ্ৰেণী, যাৰ প্ৰধান ব্যৱসায় যিকোনো আঁচনি - চুক্তি বা অন্য কোনো প্ৰকাৰৰ অধীনত ধন সংগ্ৰহ কৰি জমা ৰাখে। এই কোম্পানীসমূহে বিনিয়োগ এছেট ফাইনেন্সিং বা ঋণ দিয়া কাৰ্য নকৰে। এনে কোম্পানীসমূহৰ ৰিজাৰ্ভ বেংকে যিকোনো ধন জমা নকৰিবলৈ তথা আৰএনবিচি সমূহক এনে দৰে ব্যৱসায় নচৰাবলৈ নিৰ্দেশনা জাৰি কৰিছে।

12] আমি জানো যে আৰএনবিচিসমূহে জমা ধনৰ বৃদ্ধি নকৰে, তেনেহ'লে তাত জমা ৰখা কিয় সুৰক্ষিত ?

এইটো সত্য যে আৰএনবিচিসমূহে জমা ধনৰ বৃদ্ধিত সীমিত নহয়। কিন্তু প্ৰত্যেক আৰএনবিচিয়ে বিশ্বাস জন্মায় যে তাত জমা থকা ধন অনুমোদিত বিনিয়োগত বিনিয়োগ কৰা হৈছে। অন্য কথাত, জমাকাৰীয়ে সূত লাভ কৰিব, এনে কোম্পানীসমূহে তেওঁলোকৰ 100 শতাংশ ধন উচ্চ তাৰল্যৰ আৰু সুৰক্ষিত বিনিয়োগ যেনে কেন্দ্ৰীয় - ৰাজ্য চৰকাৰৰ চিকিউৰিটি সমূহ, সূচীবদ্ধ বানিজ্যিক বেংক (এছচি বি) সমূহৰ ফিক্স ডিপ'জিটৰ বাবে, এছচিবি û এফআই সমূহৰ জমাৰ প্ৰমাণ পত্ৰ, মিউচুৱেল ফাণ্ডৰ গোট সমূহ আদিত জমা ৰাখে।

13] জমা ধনৰ কিস্তিসমূহ নিয়মিয়াকৈ প্ৰদান নকৰিলে বা অনিয়মিয়াবাৰে কৰিলে আৰএনবিচিয়ে জমা জব্দ কৰিব পাৰে নে ?

কোনো আৱাসিক ন'ন বেংকিং কোম্পানীয়ে জমাকাৰী দ্বাৰা জমা ৰখা ধন বা যিকোনো সূত, প্ৰিমিয়াম, বোনাচ বা তেওঁলোকে লাভ কৰা অন্য সুবিধাসমূহ জব্দ কৰিব নোৱাৰে।

14] জমাৰ ওপৰত আৰএনবিচিয়ে প্ৰদান কৰা সূতৰ হাৰ কিমান আৰু তেওঁলোকে জমা ৰখা ধনৰ সমাপ্তিৰ সময় - কিমান হোৱা উচিৎ?

কোনো আৰএনবিচিয়ে কিছুসময় বা মাহেকীয়া বা দীৰ্ঘকালীন জমাধনৰ ওপৰত নুন্যতম 5 শতাংশ সূত (বাৰ্ষিক হাৰত) প্ৰদান কৰিব; আৰু দৈনিক ডিপোজিট আঁচনিৰ অধীনত জমা ধনৰ ওপৰত 3.5 শতাংশ (বাৰ্ষিক হাৰ) সূত প্ৰদান কৰিব।

ইয়াৰ সূতৰ লগত প্ৰিমিয়াম, বোনাচ বা অন্য যিকোনো সুবিধা সন্নিবিষ্ট কৰি, জমাকাৰীসকলক আৰএনবিচিয়ে ঘূৰাই দিব লাগিব। কোনো আৰএনবিচিয়ে ধন জমা কৰাৰ পৰা ন্যুনতম 12 মহিয়া প্ৰিমিয়াম অবধি আৰু সৰ্বাধিক 84 মাহৰ বাবে ধন জমা ৰাখিব পাৰে। জমাকাৰীৰ দাবীত জমা ধন ৰিয়েয়েবল কৰিব নোৱাৰে।

যদিও বৰ্তমান, দুটা আৰএনবিচিৰ ক্ষেত্ৰত (পিয়াৰলেছ আৰু চাহাৰা ইণ্ডিয়া ফাইনেন্স কৰ্পোচেশ্যন লিমিটেড)ক আৰবিআইয়ে ধন সংগ্ৰহ বন্ধ কৰিববলৈ, জমাকাৰীৰ সকলক জমা ধন ঘুৰাববলৈ তথা তেওঁলোকৰ আৰএনবিচি ব্যৱসায় তেওঁলোকৰ ব্যৱসায় মডেল অনুসৰি চলাববলৈ নিৰ্দেশ দিছে।

(চ) জমাৰ সংজ্ঞা জমা সংগ্ৰহৰ বাবে; যোগ্যতাû অযোগ্য প্ৰতিষ্ঠান আৰু সম্বন্ধিত বিষয়ঃ

15] জমা কি? (Deposit)

জমা মানে যিকোনো প্ৰকাৰে ধন সংগ্ৰহ কৰা, ই শ্বেয়াৰ কেপিটেল, কোনো অংশীদাৰী ফাৰ্মৰ অংশীদাৰসমূহৰ দ্বাৰা পূঁজিৰ বাৰে সংগ্ৰহ ধন, চিকিউৰিটি ডিপোজিট, অমানত ধন, বস্তু ক্ৰয়, সেবা বা নিৰ্মাণৰ বাবে আগধন দিয়া, বেংক, বিত্তীয় প্ৰতিষ্ঠান আৰু ধন ধাৰে দিয়া সকলৰ পৰা ঋণ লোৱা আৰু চিট ফাণ্ডৰ গ্ৰাহক হোৱাৰ জৰিয়তে সংগ্ৰহিত ধন হ'ল ডিপোজিট। এই সমূহৰ বাহিৰেও অন্য যি কোনো ধৰণে সংগ্ৰহ কৰা ধনক ডিপোজিট বোলা হয়।

16] ৰাইজৰ পৰা সংগ্ৰহিত ধনৰ কোনো ডিপোজিট আইনীভাৱে গ্ৰহণ কৰাৰ যোগ্য?

সমবায় বেংকৰ সহিতে বেংকসমূহে ডিপোজিট সংগ্ৰহ কৰিব পাৰে, ন'ন বেংকিং ফাইনেন্সিয়েল কোম্পানী, যাক ধন ডিপোজিটৰ বাবে বিশেষ লাইচেন্স প্ৰদান কৰি আৰবিআইয়ে পঞ্জীয়ন প্ৰমাণ পত্ৰ জাৰি কৰিছে, সেইবোৰে ৰাইজৰ ডিপোজিট সংগ্ৰ কৰিব পাৰে। অৱশ্যে তেওঁলোকে কেৱল বচনবদ্ধভাৱে ধন ডিপোজিট কৰিব পাৰে। হাউসিং ফাউনেন্স কোম্পানীসমূহ ডিপোজিট সংগ্ৰহৰ বাবে বিশেষ ৰূপে কতৃত্ব প্ৰদান কৰা হৈছে তথা কোম্পানী এক্টৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰস্তুত কোম্পানী এচেপ্তটেঞ্চ অৱ ডিপোজিত ৰুলসমূহৰ অধীনত নিগম পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা স্বীকৃত, তেনে কোম্পানীয়ে নিৰ্ধাৰিত সীমালৈ ডিপোজিত সংগ্ৰহ কৰিব পাৰে। সমবায় সমিতিয়ে তেওঁলোকৰ সদস্যৰ পৰা ধন জমা ৰাখিব পাৰে, কিন্তু জনসাধাৰণৰ পৰা নোৱাৰে।

ৰিজাৰ্ভ বেংকে কেৱল বেংকসমূহ, কোঅ'পাৰেটিৱ বেংকসমূহ আৰু এনবিএফচি সমূহক ধন জমা ৰখাৰ কতৃত্ব দিছে।

17] আৰবিআইৰ দ্বাৰা পঞ্জীকৃত সকলো এনবিএফচিয়ে ধন জমা ৰাখিব পাৰেনে? আৰবিআইৰ পৰা পঞ্জীয়ন-প্ৰমাণ

পত্ৰ লাভ কৰা মানে উক্ত কোম্পানীটোৱে ধন জমা ৰাখিব পাৰেনে ?

নোৱাৰে। ওপৰত উল্লেখ কৰা দৰণে আৰবিআইত পঞ্জীকৃত হ'লে কোনো এনবিএফচিয়ে ধন জমা থব পৰা ক্ষমতা নিজে -নিজেই লাভ নকৰে।

পঞ্জীকৃত এনবিএফচিৰ তিনি বছৰীয়া পাৰদৰ্শিতাৰ নিৰীক্ষণৰ পিছত এই অনুমতি প্ৰদান কৰা হয়। পিছত এই অনুমতি প্ৰদান কৰা হয়।

কোনো এটা এনবিএফচিৰ পঞ্জীয়ন প্ৰমাণ পত্ৰতেই সেই কোম্পানীয়ে জনসাধাৰণৰ পৰা ধন সংগ্ৰহ কৰিব পাৰিবনে, নোৱাৰে সেইটো স্পষ্টভাৱে উল্লেখ থাকে।

পাব্লিক পলিচিৰ ক্ষেত্ৰত, ৰিজাৰ্ভ বেংকে কেৱল বেংকহে পাব্লিক ডিপোজিট কৰাৰ অনুমতি প্ৰদান কৰিছে তথা সেইবাবে 1997 চনৰ পৰা পাব্লিক ডিপোজিট সংগ্ৰহৰ বাবে নতুন এবিএফচিক কোনো পঞ্জীয়ন প্ৰমাণ পত্ৰ (চি অ'আৰ) প্ৰদান কৰা নাই।

আৰবিআইয়ে পাব্লিক ডিপোজিট সংগ্ৰহৰ বাবে এনবিএফচিসমূহক অনুমতি দিয়াৰ ক্ষেত্ৰত ইমান কঠোৰ কিয় ?

ৰিজাৰ্ভ বেংকে এইটো ভালকৈ অনুভৱ কৰে যে জমাকাৰী সকলৰ জমা ধনসমূহ যিকোনো বিত্তীয় প্ৰতিষ্ঠানত সুৰক্ষিত ৰূপত থকা উচিত। জমাকাৰীসকলে যিকোনো প্ৰতিষ্ঠানত বিশ্বাস কৰি ধন জমা থয়, তেনেদৰে কোনো এজন বিনিয়োগ কাৰীয়ে কোনো শ্বেয়াৰ কিনাতে ভাল লাভৰ আশাত ৰিস্ক লয়। বিত্তীয় নিদেৰ্শনা অনুসৰি জমাকাৰীৰ বিশ্বাস সুৰক্ষিত ৰখা সৰ্বোচ্চ বিষয়। বেংকসমূহ সকলোতকৈ নিয়ন্ত্ৰিত বিত্তীয় অনুষ্ঠান।

19] আৰবিআইয়ে কোনেবোৰ এনবিএফচিক জমা সংগ্ৰহৰ বাবে বিশেষভাৱে কৰ্তৃত্ব প্ৰদান কৰিছে ?

ৰিজাৰ্ভ বেংকে জমা সংগ্ৰহৰ অনুমতি থকা বৈধ পঞ্জীয়ন প্ৰমাণ পত্ৰ থকা এনবিএফচি সমূহৰ তালিকা বেংকৰ ৱেবচাইট **www.rbi.org.in**

4] চাইচ মেপ — এনবিএফচি লিষ্ট প্ৰকাশিত কৰে। কেতিয়াবা কোনো কোম্পানীক ৰাইজৰ ধন সংগ্ৰহৰ পৰা সাময়িকভাৱে আতৰাই ৰখা হয়। ৰিজাৰ্ভ বেংকে নিজৰ ৱেবচাইটত সাময়িকভাৱে প্ৰতিবদ্ধ ঘোষিত এনবিএফচিসমূহৰ তালিকা প্ৰকাশিত কৰে। ৰিজাৰ্ভ বেংকে দুয়োখন তালিকাই আপলোড কৰি ৰাখে।

এনবিচএফচিসমূহৰ ধন জমা থবলৈ বিচৰা সকলোলৈ অনুৰোধ যে, তেখেত সকলে দুয়োখন তালিকাই চাই লয়।

20] কোনো কো-অ'পাৰেটিভ ক্ৰেডিট চ'ছাইটিয়ে ৰাইজৰ পৰা ধন জমা ৰাখিব পাৰেনে ?

নোৱাৰে। কো-অ'পাৰেটিভ ক্ৰেডিট চ'ছাইটিসমূহে জনসাধাৰণৰ পাৰ ধন সংগ্ৰহ কৰিব নোৱাৰে। তেওঁলোকে কেৱল নিজৰ উপবিধি অনুসৰি নিৰ্ধাৰিত ধন সদস্য সমূহৰ পৰা সংগ্ৰহ কৰিব পাৰে।

21] বেতনভোগী চ'ছাইটিয়ে ৰাইজৰ পৰা ধন সংগ্ৰহ কৰিব পাৰেনে ?

নোৱাৰে। এই চ'ছাইটিসমূহ বেতনভোগী কৰ্মচাৰীৰ বাবে গঠিত এতেকে তেওঁলোকে কেবল নিজৰ সদস্য সমূহৰ পৰা ধন সংগ্ৰহ কৰিব পাৰে আৰু জনসাধাৰণৰ পৰা নোৱাৰে।

22] আৰবিআই পঞ্জীভূত নোৱাৰা কিছুমান কোম্পানী বা এনবিফেচিয়ে — আৰবিআইৰ পৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰ লাভ নকৰাকৈয়ে অকতৃত্বশীলভাৱে জমা সংগ্ৰহ আৰু ঋণ প্ৰদান বা বিনিয়োগ কাৰ্যকলাপত জড়িত হৈছে বুলি আৰবিআইয়ে কি দৰে অৱগত হয় ?

এনবিএফচিসমূহে ৰিজাৰ্ভ বেংকৰ কতৃত্ব লাভ নকৰাকৈ অকতৃত্বশীলভাৱে ধন জমা কৰা বা ঋণ প্ৰদান আৰু বিনিয়োগ কৰা কাৰ্যৰ বিষয়টো আৰবিআইয়ে মূলতঃ ৰাইজৰ অভিযোগ আৰু আপত্তিৰ জৰিয়তে অৱগত হয়। ইয়াৰ ওপৰিও ৰিজাৰ্ভ বেংকে বাতৰি কাগজ বা নিজৰ আঞ্চলিক কাৰ্যালয় বা অন্য যিকোনো সূত্ৰৰ পাৰ অৱগত হয়।

23] পঞ্জীকৃত এনবিএফচিসমূহৰ লগত জড়িত বাজাৰত নোহোৱা মালিকানাধীনû অংশীদাৰী সহযোগীসমূহে ৰাজহুৱা জমা সংগ্ৰহ কৰিব পাৰে নে ?

নোহোৱা মালিকানাধীন আৰু অংশীদাৰীসমূহ অ-কতৃত্বশীল সমিতি। এতেকে ৰাজহুৱা জা ৰখাৰ পৰা তেওঁলোকক আৰবিআই এক্ট 1934 ৰ অধীনত বাৰণ কৰা হৈছে।

24] বিভিন্ন অলংকাৰৰ দোকানীয়ে ৰাইজৰ পৰা কিস্তি হিচাপত ধন সংগ্ৰহ কৰে। এক দৰে জমা সংগ্ৰহ কৰিব পাৰেনে ?

ধনখিনি ভৱিষ্যতে গহনা দিয়াৰ বাবে অগ্ৰীমৰূপে লৈছেনে বা ধনখিনি সূত সহ ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি সংগ্ৰহ কৰিছে, তাৰ ওপৰত নিৰ্ভৰ কৰে। অলংকাৰৰ দোকানীয়ে নিৰ্ধাৰিত সময়ত অলংকাৰ দিয়াৰ চৰ্তত কিস্তি হিচাপত লোৱা ধনখিনিয়ে জমা নুবুজাই। তেওঁলোকে জমা ৰখা ধনখিনি সূতে-মূলে ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

25] অকতৃত্বশীল প্ৰতিষ্ঠানে ৰাজহুৱাভাৱে ধন জমা ৰাখিলে কি ব্যৱস্থা ল'ব পৰা যায় ? যদি এনবিএফচিসমূহ, যি মালিকানাধীন û অংশীদাৰী ফাৰ্মৰ জৰিয়তে ৰাইজৰ ধন অকৃতৃত্বশীলতা জমা ৰাখে, কি কৰা হ'ব ?

ৰাইজৰ ধন সংগ্ৰহ কৰি জমা ৰখা এনে ধৰণৰ অকৃত্বশীল প্ৰতিস্থানৰ বিৰুদ্ধে অপৰাধীক ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। অৱশ্যে আৰবিআইয়ে যিকোনো অকতৃত্বশীল সমিতিৰ লগত জৰিত হোৱাৰ পৰা এনবিএফচি সমূহক বাৰণ কৰি থৈছে।

যদি এনবিএফচি সমূহে ধন জমা ৰখা অকতৃত্বশীল মালিকানাধীনû অংশীদাৰী ফাৰ্মৰ লগত নিজেই নিজেই জৰিত হৈছে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে অপৰাধী আইনৰ অন্তৰ্গত ব্যৱস্থা ল'ব পৰা যায় বা ৰাজ্য চৰকাৰৰ দ্বাৰা অনুমোদিত প্ৰ'টেকচন অফ ইণ্টাৰেষ্ট অৱ ডিপোজিটত এক্টৰ অধীনত আইনী ব্যৱস্থা পাব পৰা যায়।

26] ৰিজাৰ্ভ বেংকৰ পৰা পঞ্জীয়ন প্ৰমাণ পত্ৰ সংগ্ৰহ নকৰাকৈ কোনো বিত্তীয় কোম্পানীয়ে ঋণ প্ৰদান বা বিনিয়োগ কৰাই মূল ব্যৱসায় ৰূপে কাৰ্য পৰিচালিত কৰি থাকে, তেনে বিত্তীয় কোম্পানীৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ব পাৰি ?

কোনো কোম্পানীয়ে ৰিজাৰ্ভ বেংকৰ পৰা এনবিএফচি ৰূপে প্ৰয়োজন হোৱা পঞ্জীয়ন প্ৰমাণ-পত্ৰ নোলোৱাকৈ সূব্যৱসায় ৰূপে ন'ন বেংকিং ফাইনেন্সিয়েল কাৰ্য যেনে ঋণ দিয়া, বিনিয়োগ কৰা বা জমা সংগ্ৰহ থাকে, তেনে কোম্পানীক ৰিজাৰ্ভ বেংকে জৰিমনা বিহীব বা আদালতৰ জৰিয়তে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। কোনো ব্যক্তিয়ে কোনো কোম্পানীৰ এনে কাৰ্য প্ৰত্যক্ষ কৰিলে আইবিআই এক্ট - 1934 ৰ জৰিয়তে ৰিজাৰ্ভ বেংকৰ আঞ্চলিক কাৰ্যালয়ত অভিযোগ দাখিল কৰিব, উপযুক্ত

ব্যৱস্থা হ'বলৈ অনুৰোধ জনাব পাৰে।

27] এনবিএফচিসমূহে ঋণ লোৱা সকলৰ পৰা উচ্চ সূতৰ হাৰ সংগ্ৰহ কৰে।

যদি কোনো এনবিএফচিয়ে নিজৰ ঋণ লোৱা সকলৰ পৰা উচ্চ হাৰত সূত সংগ্ৰহ কৰে?

ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ দ্বাৰা ঋণ লোৱা সকলৰ বা সূতহাৰ নিৰ্ধাৰণ কৰা নিয়ন্ত্ৰণৰ বাহিৰত। কোম্পানীৰ দ্বাৰা ধাৰ্য কৰা সূতৰ হাৰ ঋণ গ্ৰহণকাৰী আৰু এনবিএফচিসমূহৰ মাজত হোৱা ঋণৰ চুক্তিৰ চৰ্ত আৰু নিয়মসমূহত উল্লেখ থাকে।

28] মিছা ক্লেইম কৰা কোনো ব্যক্তি û বিত্তীয় কোম্পানীৰ বিৰুদ্ধে ৰিজাৰ্ভ বেংকে কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰে?

কোনো বিত্তীয় প্ৰতিষ্ঠান বা অকৃত্বশীল সমিতিয়ে মিছা ক্লেইম কৰি জনসাধাৰণক বিপৰ্থে পৰিচালিত কৰি ধন সংগ্ৰহ কৰিলে সি অবৈধ আৰু তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধানৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। তেনে ক্ষেত্ৰত ৰিজাৰ্ভ বেংকৰ ওচৰত কাৰ্যালয় বা পুলিচক অৱগত কৰিব পাৰে।

29] চিট ফাণ্ডসমূহৰ দ্বাৰা ধন সংগ্ৰহ কৰা আৰু জমা সংগ্ৰহ কৰাৰ মাজত কি পাৰ্থক্য?

আৰবিআই এক্ট - 1934 অধীনত বেংক বা অন্য বিত্তীয় প্ৰতিষ্ঠানে শ্বেয়াৰ কেপিটেল, চিকিউৰিটী ডিপোজিট, অমানত ধন আৰু বস্তু বা সেৱাৰ বাবে অগ্ৰীম ধন আৰু চান্দাক চিট বুজায়। অন্য সকলো ধন, ঋণ বা যিকোনো ৰূপত প্ৰাপ্তিক জমা বুজায়।

চিট ফাণ্ডৰ কাৰ্য সদস্যসকলৰ পৰা কিস্তি হিচাপত চিটৰ চান্দাৰূপে ধন লোৱা আৰু সকলো সদস্যই চিট প্ৰাপ্তি চিট ধন লাভ কৰিব। চান্দসমূহ জমাৰ সংজ্ঞাৰ পৰা বাহিৰত তথা ইয়াক জমা বুলি ধৰা নহয়। চিট ফাণ্ডসমূহে চান্দা সংগ্ৰহ কৰিব পাৰে, কিন্তু 2009 চনৰ আগষ্টৰ পৰা আৰবিআইয়ে জমা সংগ্ৰহ কৰিবলৈ বাৰণ কৰিছে।

30] কোনো ব্যক্তিয়ে ঋণ দিয়া আৰু বিনিয়োগ কাৰ্যত জৰিত ডিপোজিট সংগ্ৰহ কৰি এনবিএফচিসমূহৰ তালিকা ক'ত বিচাৰিব?

ন'ন ডিপোজিট গ্ৰহণ কৰা এনবিএফচি সমূহৰ তালিকা আৰবিআইৰ ৱেবচাইট **www.rbi.org.in– Sitemap –** এনবিএফচি তালিকা ৰাইজৰ ধন সংগ্ৰহ কৰিব নোৱাৰা এনবিএফচিসমূহৰ তালিকাত উপলব্ধ হ'ব।

(ছ) জমাকাৰী সুৰক্ষা বিষয়ঃ

31] কোনো এনবিএফচিত ধন জমা কৰাৰ আগতে জমাকাৰীয়ে কি কি পদক্ষেপ গ্ৰহণ কৰিব?

কোনো এনবিএফচিত ধন জমা কৰিব বিচৰা ব্যক্তিয়ে জমা কৰাৰ আগতে নিম্নলিখিত বিষয়সমূহ খৰচিমাৰি চাওকঃ

(i) এনবিএফচিটো আৰবিআইত পঞ্জীভূক্ত নে আৰু জমা সংগ্ৰহৰ বাবে আৰবিআইৰ দ্বাৰা বিশেষভাৱে কতৃত্বপ্ৰদান কৰা হৈছেনে। জমা ল'ব পৰা এনবিএফচিসমূহৰ এখন তালিকা আৰবিআই ৱেবচাইট **www.rbi.org.in– sitemap–NBFC list**ত উপলব্ধ। জমাকাৰীজনে ৰাইঝৰ ধ জমা

কৰিবৰ অনুমতি থকা এনবিএফচিসমূহৰ আৰু যিবোৰ এনবিএফচিৰ ৰাইজৰ ধন জমা ৰাখিবলৈ অনুমতি নাই। সেইবোৰতও তালিকাখনত চোৱা উচিত।

(**ii**) এনবিএফচি সমূহে নিজৰ বেৰচাইটত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ দ্বাৰা প্ৰদান কৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰ (চি অ'আৰ) খন লগাই থব লাগে। এনে প্ৰমাণ-পত্ৰ লগাই থোৱা এনবিএফচিসমূহৰ প্ৰমাণ পত্ৰখন জমাখাৰিয়ে, ভালকৈ পৰীক্ষা কৰি লোৱা উচিত।

(**iii**) কোনো এনবিএফচিয়ে জমাকাৰীক সৰ্বাধিক সূত 12.5 শতাংশ হাৰতকৈ অধিক দিয়া হ'ব নালাগে। ৰিজাৰ্ভ বেংকে সুখ আৰ্থিক পৰিবেশৰ আধাৰত সূতৰ হাৰ পৰিবৰ্তন কৰি থাকে। ৰিজাৰ্ভ বেংকে **www.rbi.org.in– sitemap–NBFC List–FAQS**ত হাৰ জাৰি কাৰি থাকে।

(**iv**) জমাকাৰীজনে কোম্পানীটোত জমা থোৱা ধনৰ বিপৰীতে যথোচিত ৰিচিপ্ট সংগ্ৰহ কৰিব। ৰিচিপ্টখন কোম্পানীৰ কতৃত্বশীল বিষয়াৰ চহী থকা হ'ব লাগিব, তথা জমাকৰাৰ তাৰিখ, জমাকাৰীৰ নাম, জমা ধন আখৰে লিখা আৰু অংকৰে লিখা, প্ৰদান কৰিব লগিয়া সূতৰ হাৰ, চিকিউৰিটীৰ তাৰিখ আৰু ধন উল্লেখ থাকিব লাগিব।

32] উচ্চ হাৰত সূত প্ৰদানৰ অফাৰ দিয়া আঁচনিত ধন হেৰুৱাব লগিয়াৰ দৰে ৰাইজে আত্মসুৰক্ষাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে কি ধৰণৰ ব্যৱস্থা হ'ব ?

উচ্চ হাৰত সূতৰ প্ৰতিশ্ৰুত প্ৰদান কৰা আঁচনিত ধন বিনিয়োগ কৰাৰ আগতে বিনিয়োগকাৰীয়ে এইটো নিশ্চিত হোৱা উচিৎ যে তেতে ধৰণৰ লাভৰ প্ৰতিশ্ৰুতি দিয়া প্ৰতিষ্ঠানটো বিত্তীয় খণ্ডৰ নিয়মাকৰণসমূহৰ ভিতৰত কোনো এটাত পঞ্জীয়নভূক্ত হয়নে আৰু ডিপোজিট বা অন্যৰূপত ফাণ্ড প্ৰাপ্তিৰ কতৃত্ব আছেনে, যদি সূতৰ হাৰ উচ্চ বা ৰিৰ্টানৰ হাৰ উচ্চৰূপে দি বিনিয়োগৰ উচ্চ হাৰৰ অফাৰ দিছে, তেন্তে বিনিয়োগকাৰীয়ে ভালকৈ পৰীক্ষণ কৰি লোৱা উচিত। উক্ত ৰিৰ্টানৰ বাবে প্ৰতিষ্ঠানটোৱে হাই ৰিস্কৰত বিনিয়োগ কৰিব লাগিব। তেনে উচ্চতম ৰিস্কৰ বিনিয়োগ, ৰিৰ্টানৰ প্ৰতিশ্ৰুতি নৰবও পাৰে। এন ক্ষেত্ৰত উচ্চ হাৰত সূত প্ৰদানৰ প্ৰতিশ্ৰুতিৰ আঁচনিত ধন হানিৰ কথাটো ৰাইজে নিজেই উপলব্ধি কৰা উচিত।

33] এনবিএফচিসমূহৰ দ্বাৰা সংগ্ৰহ কৰা জমা ঘূৰাই দিয়াৰ বাবে আৰবিআইয়ে গ্যেৰাণ্টি লয় নে ?

নলয়। ৰিজাৰ্ভ বেংকে সংগ্ৰহৰ বাবে কতৃত্বশীল হ'লেও এনবিএফচিসমূহৰ দ্বাৰা জমা কৰা ধন ঘূৰাই দিয়াৰ গ্যেৰাণ্টি নলয়। সেয়েহে, বিনিয়োগকাৰী আৰু ডিপোজিটৰ সকলে কোনো এনবিএফচিত ধন জমা কৰোতে নিজেই শুদ্ধ সিদ্ধান্ত ল'ব লাগে।

34] যদি কোনো এনবিএফচিয়ে জমা ধনৰ ওপৰত মূল ধন, সূত ঘূৰাই দিয়াত অক্ষম হয়, তেন্তে জমাকাৰীজনে কি পদক্ষেপ ল'ব পাৰে ?

যদি আৰবিআইত পঞ্জীকৃত এনবিএফচিয়ে জমাকাৰীৰ ধন ঘূৰাই দিবলৈ অক্ষম হয়, তেতিয়া জমাকাৰীজনে এনবিএফচিটোৰ বিৰুদ্ধে আৰবিআই নিকটতম আঞ্চলিক কাৰ্যালয়ত অভিযোগ দাখিল কৰিব পাৰে। জমাকৰ্ত্তাই তেওঁলোকক জমাৰাশি ঘূৰাই পাবলৈ 1956 চনৰ “কম্পেনি এক্ট” অধিনিয়মৰ অধীনত গঠন হোৱা ‘কম্পেনি-ল-বৰ্ড’ নাইবা চিভিল কৰ্ট নাইবা কণজিউমাৰ ডিচপ্যুট ৰিড্ৰেচেন ফৰামৰ সহায় ল'ব পাৰে। ভোক্তভোগীয়ে ৰাজ্যিক পুলিচ অথৰিটি নাইবা ৰাজ্যিক পুলিচৰ ইকনমিক অফেন্স উইংৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে। কিছুমান ৰাজ্যই “প্ৰট্যেক্টচন অৱ

ইণ্টাৰেষ্ট অৱ ডিপজিটৰ (ফাইনেন্সিয়েল এষ্টাব্লিছমেণ্ট) আইন পাচ কৰিছে যিবিলাকে এনেকুৱা সংস্থা সমূহৰ সম্পত্তি বাজেয়াপ্ত কৰি জমাকৰ্ত্তাসকলৰ মাজত ভাগ কৰি দিবলৈ ৰাজ্যিক শক্তি প্ৰদান কৰিছে।

35] এনবিএফচিৰ বাৰণ কৃত শাখাû সংস্থাই ডিপজিট ল'ব পাৰেনে ?

আৰবিআই এক্টৰ আওতাৰ বাহিৰত পৰা নাইবা ই বাৰণ কৰা কোনো এনবিএফচিয়েই জনসাধাৰণৰ ডিপজিট জমা লব নোৱাৰে। এনএইচবিএ আৰোপ কৰা সীমাৰেখাৰ ভিতৰতহে এইচএফচিএ জমা গ্ৰহণ কৰিব পাৰে।

36] এনবিএফচিৰ কাৰ্যসমূহ সুচাৰুৰূপে চলিবলৈ আইবিআইয়ে জমা সংগ্ৰহৰ ক্ষেত্ৰত সবিশেষ নিয়ন্ত্ৰণ, জমাৰাশিৰ পৰিমাণ, মেণ্ডেটৰি ক্ৰেডিট ৰেটিং, মেণ্ডেটৰি মেইন্টেনেন্স অৱ লিকুইড এচেট ফৰ ৰি পেমেণ্টটো ডিপজিটৰ, মেনাৰ অৱ মেইন্টেনেন্স অৱ ইটছ ৰেকৰ্ড ডিপজিট হ'ব, প্ৰডেন্সিয়েল ৰেগুলেচ্যন ইনক্লুডিং মেইন্টেনেন্স অৱ এভিকুৰেট কেপিটেল, লিমিটেচন অৱ এক্সপ'জাৰ এণ্ড ইন্সপেক্সন অৱ এনবিএফচি আদি ব্যৱস্থা হাতত লৈছে। যদি অডিট নাইবা পৰ্য্যবেক্ষণ নাইবা অভিযোগ নাইবা বজাৰ নিৰিক্ষণৰ দ্বাৰা বেংকে এয়া গমপায় যে কোনো এনবিএফচিয়ে ইয়াৰ নিৰ্দেশাৱলী মানি চলা নাই বা ভংগ কৰিছে তেন্তে বেংকে এনে এনবিএফচিক জমা গ্ৰহণ, আৰউ সম্পত্তি বিক্ৰিত স্থগিতাদেশ জাৰিও কৰিব পাৰে। ইয়াৰোপৰি যদি জমাকৰ্ত্তাই কম্পেনি ল' বৰ্ডৰ ওচৰ চাপে যি জমা কৰ্ত্তাৰ ধনৰাশি এনবিএফচিক ঘূৰাই দিয়াৰ নিৰ্দেশ জাৰি কৰিছে যাক এনবিএফচিয়ে ন্যায়পালিকাৰ দ্বাৰাস্থ কৰাই ক্ৰিমিনেল এক্সনৰ আওতালৈ আনি বন্ধ কৰি দিব পাৰে।

উল্লেখযোগ্য যে— বজাৰ বিশেষজ্ঞৰ ৰিপট, অভিযোগ, কম্পেনি সাননিকৰ মন্তব্য, এচ এলচিচি সভাৰ জড়িয়তে পোৱা তথ্য আদিৰ ওপৰত নিৰ্ভৰ কৰি আৰবিআই এ জৰিমনা বিহা আৰু আইনগত ব্যৱস্থা লোৱাৰ দিহা কৰিছে। বেংক কতৃপক্ষই তাৎক্ষনিকভাবে এনে তথ্য এনফৰ্চমেণ্ট এজেন্সি, সকলোবোৰ ফাইনেন্সিয়েল ৰেগুলেটৰ চেক্টৰ আৰু ৰাজ্যিক পৰ্যায়ৰ সমন্বয় ৰক্ষী কমিটীৰ সৈতে আদান-প্ৰদানৰ দিহা কৰিছে।

পাব্লিক পলিচি মেনেজাৰৰ অংশ হিচাপে আৰবিআইয়ে জনসাধাৰণৰ মাজত তেওঁলোকৰ কষ্টপাজিত ধন জমা থোৱাৰ সময়ত সাৱধান হ'বৰ বাবে সজাগতা সৃষ্টিৰ গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰৰ চপা-মাধ্যমত প্ৰচাৰিত জাননি, পুস্তিকা বিতৰণ আৰউ সজাগতা শিবিৰত জনসাধাৰণৰ লগত মত বিনিয়োগ কনফাৰেন্স, ৰাজ্যিক চৰকাৰ পৰিচালিত ট্ৰেডফেয়াৰ এক্সিবিচন আদি উল্লেখযোগ্য। ই আনকি বাতৰি কাকত সমূহত কোনো সংস্থাই এক পক্ষীয় বাতৰি পৰিবেশন (জমা আঁচনিৰ ক্ষেত্ৰত) আদিৰ ওপৰতো নজৰ ৰাখিছে।

37] ৰাজ্যিক চৰকাৰসমূহে ফাইনেন্সিয়েল এষ্টাব্লিছমেণ্ট সমূহত প্ৰটেকচ্যন অৱ ইন্টাৰেষ্ট অফ ডিপজিটৰ প্ৰয়োগ কৰাৰ উদ্দেশ্য কি ?

এই আইন প্ৰনয়নৰ উদ্দেশ্য হ'ল জমাকৰ্ত্তাসকলৰ সূতû মনোযোগক (যিটোহয়) ৰক্ষনা-বেক্ষণ দিয়া বিত্তীমুখী প্ৰতিষ্ঠান সমূহৰ কাৰ্যসমূহ সূচাৰুৰূপে চালিত কৰিবলৈ প্ৰডেন্সিয়েল এক্ বলবৎ কৰিবলৈ আৰবিআই এক্ট ইয়াক নিৰ্দেশনা দিছে। আৰবিআই এটা জনসাধাৰণৰ সংস্থা আৰু ইয়াৰ আইন জনসাধাৰণৰ আইন। ডিফনটিং কম্পেনিসমূহৰ সম্পত্তিৰ বিক্ৰি, ৰিকভাৰী আৰু ইয়াৰ বিষয়া সকলৰ এন্টিটি ৰাজ্যিক চৰকাৰে হে নিয়ন্ত্ৰণ কৰে। ফাইনেন্সিয়েল এষ্টাব্লিছমেণ্ট ৰাজ্যিক চৰকাৰক বিনিয়োগ কৰিব মনোযোগক ৰক্ষণাবেক্ষণ দিয়াত ৰাজ্যিক চৰকাৰক ক্ষমতা অৰ্পন কৰিছে।

38] ৰাজ্যিক চৰকাৰে প্ৰণয়ন কৰা প্ৰটেকচন অৱ ইণ্টৰেষ্ট অৱ ডিপজিটৰচ ইন ফাইনেন্সিয়েল এষ্টাব্লিচমেণ্টে

বিধিবৰ্হিভূতভাবে ধন জমা লোৱা আৰু এক পক্ষীয়ভাবে কাৰ্য কৰা সংস্থাসমূহক নাকি লগাব পাৰিবনে ?

হয়, বহু সময়তে ই সফল হ'ব। কাৰণ ই বিধিবৰ্হিভূত কোনো সংস্থাই ধন জমা কৰোৱা বা গ্ৰহণ কৰা বা বিৰ্ধিবৰ্হিভূত অৰ্থনৈতিক লেনা-দেনাক অপৰাধ হিচাপে গণ্য কৰিছে। এনে কাৰ্যৰ বিৰুদ্ধে বিচাৰ আৰু জেইলৰ ব্যৱস্থা কৰিছে। এনেকুৱা সংস্থাৰ সম্পত্তি বাজেয়াপ্ত কৰণ, বিশেষ ন্যায়াধিকৰণৰ অধিনত সিবোৰৰ বিক্ৰি কৰি জমাকৰ্ত্তাৰ মাজত বটোৱাৰা কৰিবলৈ ৰাজ্যিক চৰকাৰক এনে আইনে অপাৰ ক্ষমতা দিছে। ব্যাবক্ত ৰাজ্যিক চৰকাৰ û ৰাজ্যিক আৰক্ষীৰ, এনে অপৰাধীৰ বিৰুদ্ধে উচিত তদন্ত লোৱাৰ অধিকাৰ আছে। আৰবিআইয়ে সকলোবোৰ ৰাজ্য চৰকাৰক সঞ্চয়কাৰীৰ সূত সংৰক্ষণৰ বাবে ফাইনেন্সিয়েল এক্টৰ অধীনত আইন পাছ কৰিবলৈ কৈছে। বতমানলৈ এনে আইন প্ৰণয়ন 16 খন ৰাজ্য আৰু এখন ইউনিয়ন টেৰিটৰীত আছে। এই ৰাজ্য কেইখন হৈছে— অৰুণাচল প্ৰদেশ, অসম, বিহাৰ, গোৱা, হিমাচল প্ৰদেশ, কৰ্ণাটক, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, মিজোৰাম, নতুন দিল্লী, তামিলনাডু, ত্ৰিপুৰা, উতৰাঞ্চল, চিকিম, মেঘালয়, জম্মু-কাশ্মীৰ আৰু চণ্ডিগড় শাসন ব্যৱস্থা। কিছু ৰাজ্যিক চৰকাৰ এই আইন সঞ্চয়কাৰীৰ সূতৰ তত্বাবধায়ক হিচাপে ফলপ্ৰসূকৈ ব্যৱহাৰ কৰি আহে।

39] আৰবিআইৰ কোনো আপত্তি নিষ্পত্তিৰ ব্যৱস্থা আহে নেকি ?

যদি এনভিএফচিৰ বিৰুদ্ধে কোনো গোচৰ বা আপত্তি নিকটবৰ্ত্তী বিৰ্জাব বেংক অফ' ইণ্ডিয়াত ৰুজু কৰা হয়, তেনেহলে এনবিএফচি সম্পৰ্কীয় গোচৰû আপত্তিৰ পুনঃ সমাধানৰ ব্যৱস্থা কৰা হয়।

40] এতিয়াও জনসাধাৰণৰ সময়ক বাৰে বাৰে আন্‌চক্ৰুপোলাচ ফাইনানচিয়েল এনটাইটিচৰ দ্বাৰা ঠগোৱাৰ উদাহৰণ আছে। কেনেকৈ অনাদিষ্ট সন্মত সঞ্চয় û কোনো কোম্পানীৰ দ্বাৰা পৰিচালিত অনাদিষ্ট এনবিএফ ব্যৱসায়ৰ ওপৰত আৰবিআইয়ে নিজৰ তত্বাবধানক অধীক শক্তিশালী কৰিবলৈ পৰিকল্পনা কৰিছে ?

ৰিজাৰ্ভ বেংকে বিভিন্ন আঞ্চলিক কাৰ্যালয়ত ইয়াৰ বজাৰ বুদ্ধিমত্ব কৃত্যক (মাৰ্কেট ইনটেলিজেঞ্চ ফানচন) অধীক শক্তিশালী কৰি আছে আৰু নিয়মীত ভাবে কোম্পানীবোৰৰ বিত্তীয় দিশটো পৰ্যবেক্ষণ কৰি আছে, আৰু এই কাৰ্য সম্পন্ন হয়। আৰবিআইলৈ অহা বজাৰ সমীক্ষা অথবা গোচৰ ভিত্তিত। এইক্ষেত্ৰত, জন প্ৰতিনিধি সকলে বিশেষ ভূমিকা লৈ সতৰ্কতাৰে আৰু গোচৰ ৰুজু কৰে, যদিহে তেওঁলোকৰ কোনো বিত্তীয় বিষয়ৰ ক্ৰটি দৃষ্টি গোচৰ হয় যি নেকি আৰবিআই ওক্ট উলংঘা কৰে। উদাহৰণ স্বৰূপে যদি তেওঁলোকে অনাৰ্দিষ্টভাবে টকা সঞ্চয় অথবা এনবিএফচিৰ কাৰ্য পৰিচালনা কৰে আৰবিআইৰ অনুমতি নোহোৱাকৈ তাতোকৈ প্ৰয়োজনী, এই দিশবোৰ বিকল হ'ব যদিহে জনপ্ৰতিনিধিসকলে বুদ্ধিমত্বাৰে সঞ্চয় কৰিবলৈ আৰম্ভ কৰে। জনপ্ৰতিনিধিসকলে জানিব লাগে যে সঞ্চয়ৰ অধিক পাওঁনৰে অধিক শংকা থাকে। আৰু এনে কাল্পনিক লাভজনক কাৰ্যৰ কোনো নিশ্চয়তা নাই। বিনিয়োগ কৰাৰ আগতে জনসাধাৰনে নিশ্চিত হ'ব লাগে যে তেওঁলোকে বিনিয়োগ কৰা সংস্থাটোৰ তত্বাবধায়ক বা নিয়ন্ত্ৰণ এটা বিত্তীয় তত্বাবধায়ক সংস্থাৰ দ্বাৰা হয় নে নহয়।

**H.** সামুহিক বিনিয়োগ যোজনাক ৰিজাৰ্ভ বেংকে নিয়ন্ত্ৰণ কৰেনে ?

নহয়, চিআইএচৰ যোজনা হয় য'ত টকাৰ আদান প্ৰদান - ইউনিটৰ বাবে, be it tiem ahare in resorts, কাঠ বিক্ৰি কৰি পোৱা মুনাফা বা ব্যৱসায়িক ঠাই বা অট্টালিকাৰ উন্নয়নৰ দ্বাৰা হোৱা লাভ ইত্যাদি হয়। চিআইএচ, ৰিজাৰ্ভ বেংক নিয়ন্ত্ৰিত সীমাৰ ভিতৰত নপৰে।

42] কোনো প্ৰধিকাৰীয়ে চিআইএচ নিয়ন্ত্ৰণ কৰে ?

এচইবিআই হৈছে চিআইএচৰ নিয়ন্ত্ৰক। এনে যোজনাৰ যিকোনো বৰ্তা বা বঢ়াওঁতাৰ বিৰুদ্ধে থকা আপত্তি তাৎক্ষণিকভাৱে এচইবিআই ৰ লগতে ইঅ'ডব্লিউ û ৰাজিক আৰক্ষী বিভাগলৈ নিয়া হয়।

43] লাভজনক সঞ্চয় মূলধন ব্যৱসায় আইনৰ অধীনত পৰিচালিত হয়নে ?

চিট ফাণ্ড (লাভজনক সঞ্চয় মূলধন) চিট ফাণ্ডৰ নিয়ম, 1982 ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, যিটো নেকি ৰাজ্যিক চৰকাৰৰ এটা প্ৰধান আইন, সেই চিট ফাণ্ডবোৰ এই আইনৰ অধীনত পঞ্জীয়ন কৰি আইনগতভাৱে ব্যৱহাৰ কৰিবলৈ দিয়া হ'ব।

44] যদি চিট ফাণ্ড কোম্পানীবোৰ ৰাজহ ক্ষেত্ৰ হয় তেনেহলে ইহতক আৰবিআইয়ে নিয়ন্ত্ৰণ কৰে ?

চিট ফাণ্ড কোম্পানীবোৰ চিট ফাণ্ড আইনৰ 1982 ৰ অধীনত নিয়ন্ত্ৰণ কৰা হয়, আৰু ৰাজ্যিক চৰকাৰৰ দ্বাৰা কাৰ্যকৰী কৰা হয়। আৰবিআইয়ে 2003 ত জনসাধাৰণৰ পৰা নিয়োগ ধন লবলৈ চিট ফাণ্ড কম্পেনীক বাধা দিছে, যজিদ কোনো চিট ফাণ্ডে জনসাধাৰণৰ নিয়োগ গ্ৰহণ কৰে, তেনেহলে আৰবিআইয়ে তেনে চিট ফাণ্ডৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰিব পাৰে।

## I. ধন সঞ্চালন û একাধিক স্তৰৰ ব্যৱসায় (এমএলএম) û Ponzi আঁচনি û Unicorporated Bodies (UIBS).

45] ধন সঞ্চালনû Ponzi û একাধিক স্তৰৰ ব্যৱসায় আঁচনি কি ?

ধন সঞ্চালন, একাধিক স্তৰৰ ব্যৱসায় û শৃংখলা ব্যৱসায় বা Ponzi আঁচনি হৈছে— সদশ্যৰ পঞ্জীয়নৰ সহজ আৰু তাৎক্ষণিক ধনৰ প্ৰতিস্তুতি। একাধিক স্তৰৰ ব্যৱসায় বা পাৰ্মিট আকাৰৰ আঁচনিক ধন বস্তুৰ বিক্ৰী হোবাৰ পৰিবৰ্তে অহাতকৈ একাধিক সদস্যৰ পঞ্জীয়নৰ মাচুলেৰে আদায় হয়। এনে ব্যৱসায়ত অধিক সদস্য পঞ্জীয়ন কৰাতো প্ৰায় বাধ্যস্বৰূপ হয় যিহেতু সংগ্ৰহিত পঞ্জীয়নৰ টকা Pyramid ৰধ্বংস কৰিব পাৰে আৰউ তলৰ স্তৰৰ সদস্যসকলে অধিক ভোগিব লগা হয়। পঞ্জী আঁচনি য'ত নেকী জনসাধাৰণক অধীক মুনাফা আদায় প্ৰতিশ্ৰুতিত সংগ্ৰহিত হয়। যিহেতু কোনো সম্পদত সৃষ্টি নহয়, এজন সঞ্চয়কৰ্তাৰ টকা আন এজনক পৰিশোধ কৰা হয়। যিহেতু পৰিশোধৰ আন কোনো উপায় নাই, গতিকে আঁচনি চলাই থকা মানুহবোৰৰ বাবে প্ৰতিশ্ৰুতি দিয়া ধন আদায় দিয়া বা মূলধন ঘূৰাই দিয়া সত্বাধীকাৰী টকা লৈ উধাও হয়।

46] মানী চাৰ্কোলেচ্যন û মাল্টী-লেৰেল মাৰ্কেটিং û পাইৰামিড ট্ৰাকচাৰড্ আঁচনিৰ অধীনত টকা লোবাটো গ্ৰহণযোগ্য হয়নে ?

নহয়, মানি চাৰ্কোলেচ্যন û মাল্টী-লেৰেল মাৰ্কেটিং û পাইৰামিড ট্ৰাকচাৰড্ আঁচনি আৰু পঞ্জী আঁচনিখন গ্ৰহণযোগ্য নহয়, যিহেতু — নে আঁচনিৰ অন্তৰ্গত প্ৰিণ্ট চিট আৰু মানী চাৰ্কোলেচন এক্ট 1978 ত জড়িত হৈ থাকে।

47] আৰবিআইয়ে মানী চাৰ্কোলেচনû মাল্টী-লেৰেল মাৰ্কেটিং ûপাইৰামিড ট্ৰাকচাৰড্ আঁচনিক নিয়ন্ত্ৰণ কৰেনে ?

নকৰে, প্ৰাইজ চীটচ্ আৰু মানী চাৰ্কোলেইটচ আঁচনি প্ৰিচিট আৰু মাটী চাৰ্কোলেচন আঁচনি (বানিং) আইন 1978 ৰ

অধীনত নিষেধ। এনে আইন বলবত কৰাত (ৰিজাৰ্ভ বেংকৰ কোনো ভূমিকা নাই) কেন্দ্ৰীয় চৰকাৰক এনে নিয়ম আকাৰ দিয়াত পৰামৰ্শ আৰু উৎসাহ দিবৰ বাহিৰে।

48] তেনেহলে কোনে এনে আঁচনি পৰিচালিত হোৱাতো নিয়ন্ত্ৰণ কৰিব পাৰে।

মানী চাৰ্কোলেচ্যন û মাল্টী-লেৱেল মাৰ্কেটিং û পাইৰামিড ট্ৰাকচাৰড্ আঁচনিৰ এটা পাইজ চীট্চ আৰু মানী 1998 ৰ অধীনত অপৰাধ হয়। এই আইনে যিকোনো মানুহক এনে ব্যৱসায় উৎসাহ তথা পৰিচালনা কৰি অন্য মানুহক অংশীদাৰ হোৱা বা নে চিট কিনিবলৈ টকা লোৱাত বাধা দিয়ে। এই আইন ৰাজ্যিক চৰকাৰৰ দ্বাৰা পৰিচালিত হয়।

49] কোনোৱে যদি এনে আঁচনি চলায়, কি ব্যৱস্থা লোৱা হ'ব ?

এনে আঁচনিৰ বিপক্ষে থকা যিকোনো আপত্তি বা তথ্য আৰক্ষী বা ৰাজ্যিক চৰকাৰৰ ইঅ'ডব্লু ত বা মিনিষ্ট্ৰী অৱ কৰ্পোৰেট এফায়াৰ্চত জনাব পাৰে। যদি আৰবিআইৰ ওচৰলৈ অনা হয়— আমি একেটা তথ্য ৰাজ্যিক চৰকাৰৰ প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰা।

50] কোনবোৰ বিনিয়োগকাৰী û সঞ্চয়কাৰী আপত্তি দৰ্শাব পাৰে।

এনে ক্ষেত্ৰত দুটা চনদ এনেক্স - 1 আৰু 2 এ বিভিন্ন নীতি বা তত্বাৱধায়কক উল্লেখ কৰিছে। আপত্তি এনে জড়িত তত্বাবধায়ক লৈ হ'ব লাগিব। যদি ব্যবসায় নিষেধ ব্যবসায় হয়, তেনেহলে ভূক্তভূগিয়ে ৰাজ্যিক আৰক্ষী û ৰাজ্যিক আৰক্ষীৰ ইঅ'ডব্লিু ৰ ওচৰ চাপি আপত্তিৰ দৰ্খাস্ত ৰুজু কৰিব পাৰে।

51] কাৰ সঞ্চয় ধন লোৱা ইউবিআইৰ বিৰুদ্ধে উচিত তদন্ত লোৱাৰ অধীকাৰ আছে।

আৰবিআইৰ আইন ধাৰা 45 টীৰ অনুসাৰে, আৰবিআই আৰু ৰাজ্যিক চৰকাৰ দুয়োৰে সমসাময়িক ক্ষমতা আছে। এনে অপৰাধীৰ বিৰুদ্ধে তাৎক্ষণিক তদন্তৰ বাবে তথ্য সমূহ তাৎক্ষণিকভাবে ৰাজ্যিক চৰকাৰলৈ বা ৰাজ্যিক ইঅ'ডব্লিুলৈ যোনে নে কি এনে ব্যবসায় বা প্ৰেৰণা আৰু উৎসাহ যোগায়। যিহেতু ৰাজ্যিক চৰকাৰৰ কাৰ্যৰ পন্থা সৰ্বব্যাপী আৰু আৰবিআই এক্ট 1934 ৰ অধীনত ৰাজ্য চৰকাৰক উচিত তদন্ত কৰাৰ অধীকাৰ দিয়া হৈছে, গতিকে এনে ব্যবসায়ীক বিনিয়োগৰ বিৰুদ্ধে যিকোনো তথ্য তাৎক্ষনিকভাবে সংশ্লিষ্ট ৰাজ্যিক চৰকাৰক প্ৰেৰণ কৰিব লাগে।

বহুটো ৰাজ্য চৰকাৰ বিত্তীয় প্ৰতিষ্ঠানৰ ষ্টেট প্ৰ'টেক্টচন অৱ ইণ্টাৰেক্টচ্ অফ ডিপোজিটচ এক্ট আছে। যাক সময়মতে তথা উচিত পদক্ষেপ গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰে ক্ষমতা দিছে।

আৰবিআই এক্ট 1934 ৰ অনুচ্ছেদ 45 এছৰ অবৈধ ব'ডীসমূহ, যেনে ব্যক্তি, ফাৰ্ম আৰু অবৈধ সংঘ সমূহক ৰাইজৰ পৰা ধন সংগ্ৰহৰ পৰা বিৰত থাকিবলৈ স্বষ্টৰূপে উল্লেখ আছে। এনে ধৰণৰ ইউআইবিসমূহে ধন সংগ্ৰহ কৰিলে আইনমতে জেল বা জৰিমনা বা দুয়োটাই শাস্তি দিয়াৰ ব্যৱস্থা ৰাখিছে।

আৰবিআই এক্ট, 1934 , ৰিজাৰ্ভ বেংকক যথেষ্ট ক্ষমতা প্ৰদান কৰিছে আৰু এনে ইউআইবি সমূহৰ দ্বাৰা জমা সংগ্ৰহৰ সম্বন্ধে অনুসন্ধান কৰিবলৈ ৰাজ্য চৰকাৰে আদালতৰ পৰা চাৰ্জ ওৱাৰেণ্ট লব পাৰে ৰিজাৰ্ভ বেংক এজন কতৃত্বশীল বিষয়াই বা ৰাজ্য চৰকাৰে ইউআইবি বা ব্যক্তিৰ বিৰুদ্ধে সেই অপৰাধৰ বাবে আইনী ব্যৱস্থাৰৰ বাবে আদালত অভিযোগ দাখিল কৰিব পাৰে।

তালিকা ঃ 1

ন'ন বেংকিং কোম্পানীসমূহৰ নিয়ন্ত্ৰণৰ প্ৰেক্ষাপট

কোম্পানী
কোম্পানী এক্ট 1956 ৰ অনুচ্ছেদ 3 ৰ অধীনত পঞ্জীকৃত

অন্য নিয়ন্ত্ৰকৰ দ্বাৰা নিয়ন্ত্ৰিত এনবিএফচিসমূহ

আৰবিআইত পঞ্জীকৃত ন'ন বেংকিং, ন'ন ফাইনেন্সিচেল
এনবিএফচিসমূহ কোম্পানীসমূহ

বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰকাৰ নিয়ন্ত্ৰণ, নিৰীক্ষা, পৰ্যবেক্ষণ
হাইচিং ফাইনেন্স প্ৰতিষ্ঠান আৰু প্ৰৰ্বত্তনৰ বাবে কতৃত্বশীল
নেচনেল হাউচিং বেংক

মাৰ্চেণ্ট বেংকিং কোম্পানী,
ভেঞ্চাৰ কেপিটেল ফাণ্ড কোম্পানী,

ষ্টক ব্ৰোকিং, ক'লেক্টিব ইনভেষ্টমেণ্ট এচইবিআই

স্কিম সমূহ (চিআইএছ)।

নিধি কোম্পানীসমূহ, মিউচুএল এমচিএ

বেনিফিট কোম্পানীসমূহ

চিট ফাণ্ড কোম্পানী ৰাজ্য চৰকাৰ

বীমা কোম্পানী আইআৰডিএ

এনবিএফচিৰ হ'ল এক বিত্তীয় প্ৰতিষ্ঠান যি কোনো আঁচনি বা ব্যৱস্থাৰ অন্তৰ্গত ঋণ দিয়ে বা বিনিয়োগ কৰে বা ধন সংগ্ৰহ কৰে কিন্তু এনে কোনো প্ৰতিষ্ঠানত সন্নিবিষ্ট নহয় যি নিজৰ মূখ্য ব্যৱসায় কৃষি-কৰ্ম, ঔদ্যোগিত কৰ্ম, বেপাৰ আৰু অস্থাৱৰ সম্পত্তিৰ কিনা বা বেচাত নহয়। ধন জমালোৱা ব্যৱসায়টো মূখ্য ব্যৱসায় হোৱা এটা কোম্পানী এনবিএফচি হয়।

# পৰিশিষ্ট - 2

## কোম্পানীসমূহৰ বাহিৰে অন্য প্ৰতিষ্ঠানৰ নিয়ন্ত্ৰকৰ প্ৰেক্ষাপট
## কোম্পানীসমূহৰ বাহিৰে অন্য প্ৰতিষ্ঠানসমূহ

ইনইন কোঅ'পাৰেট ব'ডী (ইউআইবি)সমূহ
ৰাজ্য চৰকাৰ দ্বাৰা প্ৰবৰ্ত্তন

সীমাবদ্ধ লাইবিলিটি অংশীদাৰী ফাৰ্ম (এলএলপি) সমূহ
এমচিএৰ দ্বাৰা নিয়ন্ত্ৰণ, পৰ্যবেক্ষণ আৰু প্ৰবৰ্ত্তন

সমবায় সমিতিসমূহ কো-অ'পাৰেটিব চ'ছাইটীৰ পঞ্জীয়কৰ (আৰচিএছ) দ্বাৰা নিয়ন্ত্ৰিত আৰু ৰ্যবেক্ষণ

ক্ৰেডিট কো-অ'পাৰেটিৰসমূহ কেৱল সদস্য সকলৰ বাবে প্ৰযোজ্য
আৰচিএফছৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণ

প্ৰাইমেৰি (আৰ্বান) কো-অ'পাৰেটিৱ বেংকসমূহ
আৰবিআই দ্বাৰা বেংকিং কাৰ্যকল্পসমূহৰ নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণ

আৰচিএছৰ লগত সঞ্চালন, প্ৰবন্ধন, অডিট, কৰ্মচাৰী সম্বন্ধীয় বিষয়, পঞ্জীয়ন, তাৰল্য ইত্যাদি।

ৰাজ্যিক আৰু জিলা কো-অ'পাৰেটিব কেন্দ্ৰীয় বেংক

আৰবিআইৰ দ্বাৰা বেংকিং সম্বন্ধীয় কাৰ্যকলাপ নিয়ন্ত্ৰণ
নাৰ্বাডৰ দ্বাৰা পৰ্যবেক্ষণ আচিএছৰ লগত সঞ্চালক, প্ৰৱন্ধন, অডিট, কৰ্মচাৰীসম্বন্ধীয় বিষয়, পঞ্জীয়ন, তাৰল্য আদি।

বহু ৰাজ্যিক কো-অ'চ'ছাইটি কো'অ'চ'ছাইটিৰ কেন্দ্ৰীয় পঞ্জীয়কৰ (চিআৰচিএছ)ৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰ্যবেক্ষণ

ক্ৰেডিট কো-অ'পাৰেটিবসমূহ কেৱল সদস্যৰ বাবে প্ৰযোজ্য চিআৰচিএছৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰ্যবেক্ষণ

প্ৰাইমেৰি (আৰ্বান) কো-অ'পাৰেটিব বেংকসমূহ

আৰবিআই দ্বাৰা বেংকিং সম্বন্ধিত কাৰ্যকলাপৰ নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণ।